অধ্যায় ১০ ঃ সবলীকৰণৰ বাবে যোগাযোগৰ কৌশল

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ উন্নয়ন আৰু সবলীকৰণ
১০.৩.১ উন্নয়নৰ সংজ্ঞা
১০.৩.২ বিকাশ আৰু উন্নয়ন
১০.৩.৩ সবলীকৰণ
১০.৩.৪ অংশীদাৰযুক্ত উন্নয়ন
১০.৪ উন্নয়ন আৰু সবলীকৰণৰ বাবে যোগাযোগ
১০.৪.১ উন্নয়ন যোগাযোগৰ বাবে মাধ্যম
১০.৫ উন্নয়ন যোগাযোগৰ দৃষ্টিভংগী ঃ ব্যাপক আৰু অংশীদাৰযুক্ত আৰ্হি
১০.৫.১ সমূহীয়া ৰেডিঅ'
১০.৬ ডিজিটেল বিপ্লৱ আৰু উন্নয়নৰ বাবে যোগাযোগ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উন্নয়ন, বিকাশ আৰু সবলীকৰণৰ বোধ হ'ব আৰু সেই সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সবলীকৰণত যোগাযোগৰ গুৰুত্ব আৰু তাৰ বাবে প্রয়োগ কৰা বিভিন্ন আহিলাৰ বিষয়ে জানিব পাৰিব
- যোগাযোগৰ উন্নয়ন ব্যাপ্ত আৰু সহযোগকাৰী আৰ্হিৰ মাজত পার্থক্য বিচাৰ কৰিব পাৰিব।

১০.২ পৰিচয়

এই অধ্যায়টোৱে আপোনাক উন্নয়ন আৰু সবলীকৰণৰ অর্থ সম্পর্কে চিনাকী কৰি কৰাই দিব। আমি উন্নয়ন আৰু যোগাযোগৰ মাজৰ আন্তঃসম্পর্ক পৰীক্ষা কৰিম আৰু

যোগাযোগৰ মাজৰ আন্তঃসম্পৰ্ক পৰীক্ষা কৰিম আৰু যোগাযোগৰ আহিলা আৰু কৌশলে কিদৰে উন্নয়ন কার্যত সহায় কৰে বিচাৰ কৰি চাম। এই অধ্যায়ে বিভিন্ন স্তৰৰ মানুহৰ মাজত উন্নয়ন আনিবলৈ বিভিন্ন সংস্থা আৰু গোটে কিদৰে বিভিন্ন যোগাযোগ কৌশল খটুৱাইছে তাক প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। এইটো কথাত গুৰুত্ব দিছে যে যোগাযোগৰ আঁচনি উন্নয়নৰ সফল আহিলা হ'বৰ বাবে য'ত ইয়াক প্ৰয়োগ কৰা হয়, তাত স্থায়ী আৰু অস্থায়ীৰ প্ৰসংগ নিশ্চিতভাৱে গণ্য কৰিব লাগিব।

জানি থোৱা ভাল

নির্ভৰশীলতাৰ তত্ত্ব ঃ

নির্ভৰশীলতাৰ ধাৰাটোৰ সবাটোকৈ গুৰুত্বপূর্ণ সমর্থক পণ্ডিতসকলৰ এগৰাকী হ'ল এ. জি. ফ্ৰেঙ্ক। 'Under Development of Development' শীর্ষক ৰচনাখনত ফ্ৰেঙ্কে এই যুক্তি আগবঢ়াইছে যে 'কেন্দ্রাংশ' (Core) ৰ উন্নয়নৰ বিষয়টো 'প্ৰান্তীয় অঞ্চল' (Periphery)ত থকা অউন্নয়নৰ অন্তহীনতা নির্ভৰশীল।

১০.৩ উন্নয়ন আৰু সবলীকৰণ

১০.৩.১ উন্নয়নৰ সংজ্ঞা

উন্নয়ন শব্দটো অভিধানত সাধাৰণভাৱে বিকাশ আৰু অগ্রগতিৰ পদ্ধতি বুলি কৈছে। সাধাৰণতে উন্নয়নে এখন সমাজৰ বা এশ্রেণী মানুহৰ অর্থনৈতিক অৱস্থাৰ উন্নতি বুজায়। এনে উন্নয়নৰ তৃষ্ণা, অর্থাৎ, উন্নতিৰ পিচত উন্নতি কৰি গৈ থকাটোৱে প্ৰতিখন সমাজৰে সমাধান কৰিব বিচৰা মূল সমস্যা হৈ পৰে। যি কি নহওঁক, উন্নয়ন বুলিলে কি বুজা যায়, ইয়াৰ সম্ভাৱনা আৰু ক্ষেত্র ভেদে পৃথক পৃথক হয়। সমাজ বিজ্ঞানত বিশেষকৈ বিভিন্নজন পণ্ডিতে ইয়াক বিভিন্ন ধৰণে বুজাইছে।

উন্নয়নৰ প্ৰাথমিক ধাৰণা পশ্চিম-উত্তৰ গোলার্দ্ধৰ ৰাষ্ট্রসমূহৰ দৃষ্টিকোণৰ পৰা উদ্ভুত হৈছে, এই দেশসমূহ উন্নত আৰু (পূর্ব্ব-দক্ষিণ) দক্ষিণ-পূব গোলার্দ্ধৰ ৰাষ্ট্রসমূহ অনুন্নত দেখা গৈছে। উন্নয়নৰ অগ্রগতি বুলিলে মূলতঃ পশ্চিমীয়া উন্নত দেশবোৰৰ লগত ফেৰ মৰা বুজায়। লাহে লাহে উন্নয়নৰ দিশত নিজস্ব ধাৰণা প্ৰকাশ কৰা অন্য চিন্তাৰ সুঁতি পোহৰলৈ আহিল। সেইসমূহৰ ভিতৰত লেখত ল'বলগীয়া আছিল নির্ভৰশীল চিন্তাৰ দল, যি লেটিন আমেৰিকাত ভূমুকি মাৰিছিল। নির্ভৰশীল চিন্তাৰ পণ্ডিতসকলে কয় যে তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহৰ উন্নয়ন প্ৰথম বিশ্বৰ দান নহয়। বৰং, প্ৰথম বিশ্বৰ উন্নয়ন অনুন্নত ৰাষ্ট্রসমূহৰ সম্পদ লুণ্ঠনৰ ওপৰতহে নির্ভৰশীল। একেদৰে, আন বহুতো উন্নয়ন সূত্রই দাবী কৰে যে উন্নয়ন মানে পোনে পোনে পশ্চিমীয়াকৰণ নহয়, বৰং চৌদিশ পৰিৱেশৰ ওপৰত ভিত্তি কৰি স্থানীয় সংস্কৃতি আৰু অভাৱৰ কথা বিবেচনা কৰিছিল আৰু উন্নয়ন কার্যসূচী গ্রহণ আৰু ৰূপায়ণত স্থানীয় জনগণৰ অংশ গ্রহণৰ বিষয় অন্তর্ভুক্ত কৰিছিল।

১০.৩.২ বিকাশ আৰু উন্নয়ন

ওপৰত উল্লিখিত তত্ত্বসমূহে উন্নয়নৰ কাৰক সম্পর্কে কৈছে। দৰাচলতে উন্নয়ন কিহে সৃষ্টি কৰে সেইটো উন্নয়ন অধ্যয়নৰ আন এটা বিষয়। দীর্ঘদিন ধৰি উন্নয়নৰ অর্থ অর্থনৈতিক বৃদ্ধিৰ লগত একে বুলি গণ্য কৰা হৈছিল। উন্নয়নৰ বোধ মূল

অর্থবিজ্ঞান আৰু তাৰ মস্থৰ গতিত হোৱা ফলাফলৰ ধাৰণাৰ পৰা ধাৰ কৰা হৈছে। বিশ্বাস কৰা হৈছিল যে দেশত পুঁজিপতিৰ বৃদ্ধি যিমানেই হয়, সিমানেই সম্পদ আহৰণ হয় আৰু সিমানেই উন্নয়নৰ দিশত দেশৰ স্থান আগবঢ়া হয়। যদিও অর্থনৈতিক বৃদ্ধিয়ে সমাজৰ সকলো মানুহকে সমানে স্পর্শ নকৰে, অৱশেষত তেওঁলোক লাহে লাহে দুখীয়াতকৈও দুখীয়ালৈ অৱনমিত হয়। এইদৰে উন্নয়ন মানে আর্থিক বৃদ্ধিতকৈ আন একো নহয় বুলি বিশ্বাস কৰা হৈছিল।

যি কি নহওক, লাহে লাহে দেখা গ'ল যে কেবল আর্থিক বৃদ্ধিয়ে এখন সমাজৰ উন্নয়ন নিশ্চিত কৰিব নোৱাৰে। বহুতো দেশৰ উচ্চ স্তৰৰ আর্থিক বৃদ্ধি থকাৰ পিছতো উন্নয়নৰ দিশত সমস্যাত ভোগা দেখা যায়। উদাহৰণ স্বৰূপে, যদিও ভাৰতবর্ষত GDP হাৰ উচ্চ, দেখা যায় যে জনসংখ্যাৰ বৃহৎ অংশ এতিয়াও মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। গতিকে পৰামর্শ দিয়া হৈছে যে এটা অধিক উন্নয়নৰ পূর্ণাংগ অধ্যয়নৰ প্রয়োজন আছে, যিটোৱে সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক উন্নয়নৰ দিশবোৰ সামৰি ল'ব। সেইদৰে, মানৱ উন্নয়নৰ ধাৰণা, বহনক্ষম উন্নয়নৰ ধাৰণা, উন্নয়নৰ প্রয়োজন সাপেক্ষ, অধিকাৰ সাপেক্ষে দৃষ্টিভংগী আদি ধাৰণাসমূহ গুৰুত্বপূর্ণ হৈ পৰিল।

১০.৩.৩ সবলীকৰণ

সবলীকৰণৰ ধাৰণা উন্নয়নৰ ধাৰণাৰ লগত অতি নিবিড়ভাৱে সম্বন্ধিত। সাধাৰণতে সবলীকৰণ বুলিলে 'তুমি যি কৰিব বিচৰা তাৰ বাবে স্বাধীনতা আৰু শক্তি আহৰণ, বা তোমাৰ নিজৰ ওপৰত নিয়ন্ত্রণ' বুজায়। এখন সমাজত কম সুবিধা ভোগ কৰা লোকসকলে উন্নয়নৰ সকলো ফল ভোগ কৰিবলৈ সক্ষম নহয় বা সেইসমূহ ব্যৱহাৰ কৰাৰ যোগ্যতা লাভ নকৰে। সবলীকৰণ মানে সমাজৰ কম শক্তি আৰু কম গুৰুত্ব পোৱা লোকসকলক অধিকাৰ আৰু সুযোগ প্রদান কৰা, যাতে সেই সমূহ কেবল বিশেষ অধিকাৰযুক্ত লোকসকলেহে ভোগ কৰি থাকিব নোৱাৰে।

গতিকে মানৱ উন্নয়নৰ এটা মুখ্য লক্ষ্য হ'ল সমাজক পিচপৰা লোকসকলৰ, যেনে দৰিদ্র, নিপীড়িত শ্রেণী, নাৰী আৰু অন্যান্যসকলৰ উন্নয়ন। উন্নয়নৰ বাবে বিভিন্ন সংস্থাৰ (চৰকাৰী-বেচৰকাৰী সংগঠন, আন্তর্জাতিক সংগঠন, যেনে UNO আৰু ইয়াৰ বিভিন্ন ভাগসমূহ, স্বীকৃত আৰু অস্বীকৃত স্থানীয় সংগঠন) উন্নয়নমূলক আঁচনি আৰু কার্যসূচীৰ মাধ্যমেৰে এই শ্রেণীসমূহৰ সবলীকৰণত বিশেষ গুৰুত্বপূর্ণ ভূমিকা আছে।



জানি থোৱা ভাল

মানৱ উন্নয়ন সূচী ঃ এখন ৰাষ্ট্ৰৰ উন্নয়ন যিদৰে GDPৰ দ্বাৰা নির্ধাৰণ কৰা হয়, সেইদৰে মানৱ উন্নয়ন সূচীৰ দ্বাৰা জনমূৰি আয়, প্রত্যাশা আৰু শিক্ষা আদি বিষয় ই সামৰি লয়। এই ধাৰণাটো ভাৰতীয় ন'বেল বঁটা প্রাপক অমর্ত্ত্যসেন আৰু পাকিস্তানী অর্থনীতিবিদ মহবুব-উল-হকৰ দ্বাৰা পোহৰলৈ আহিছিল।

১০.৩.৪ অংশীদাৰীত্বভুক্ত উন্নয়ন

ওপৰৰ আলোচনাত দেখা গ'ল যে উন্নয়ন তত্ত্বৰ ক্রমবিকাশৰ লগে লগে উন্নয়নৰ ধাৰণা পোনে পোনে পশ্চিমীয়াকৰণৰ সলনি পৰিস্থিতি অনুকুলতা আৰু স্থানীয় প্রয়োজনীয়তাক সামৰি লৈছে। এতিয়া, এটা নির্দিষ্ট জনগোষ্ঠীৰ বিশেষ প্রয়োজনসমূহ পূৰণ কৰিবলৈ, সেই জনগোষ্ঠীৰ স্থানীয় লোকসকলে উন্নয়ন কার্যসূচীত অংশগ্রহণ কৰাটো অপৰিহার্য। গতিকে পণ্ডিতসকলে উন্নয়নৰ ঘাই সুঁতি, য'ত চৰকাৰক (বা ব্যক্তিগত কোম্পানী, সংস্থা— যিবোৰ সেই জনগোষ্ঠীৰ বাহিৰৰ) উন্নয়নৰ বাহক হিচাপে আৰু স্থানীয় জনগণক কেবল গ্রহিতা হিচাপে লোৱা ধাৰণাৰ পৰিৱর্তন দাবী কৰে। ইয়াৰ বিকল্প পথ হ'ল উন্নয়নত জনগণৰ অংশগ্রহণ বা চমুকৈ অংশীদাবীত্বমূলক উন্নয়ন। ই সেই নীতি আৰু কার্যসূচীৰ প্রস্তুতি, য'ত ৰূপায়ণ আৰু মূল্যায়নৰ বাবে স্থানীয় জনগণৰ অংশগ্রহণ সামৰি লয়।



অনুশীলন-১

উন্নয়নৰ বিভিন্ন উপায় আৰু সেই সমূহৰ মূল সম্বন্ধে অধিক বিচাৰি লওক।

অনুশীলন-২

ভাৰতবর্ষৰ অংশীদাবীত্বমূলক উন্নয়নৰ কার্যক্রম কিছুমান বিচাৰি উলিওৱা। সেইসমূহ কিমান পৰিমাণে ফলপ্রসু বুলি ভাবে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উন্নয়নৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২ ঃ বিকাশ বুলিলে কেবল অর্থনৈতিক দিশহে অন্তর্ভুক্ত হয়, আনহাতে উন্নয়নে সামাজিক আৰু সাংস্কৃতিক দিশ সামৰি লয়। সত্য নে অসত্য?

.....

প্ৰশ্ন নং ৩ ঃ নীৰ্ভৰশীলতাৰ তত্ত্ব ক'ত আৰম্ভ হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ অংশীদাৰীত্বমূলক উন্নয়ন মানে কি?

.....

১০.৪ উন্নয়ন আৰু সবলীকৰণৰ বাবে যোগাযোগ

উন্নয়ন পদ্ধতিৰ এটা অতি গুৰুত্বপূৰ্ণ অংশ হ'ল উন্নয়নৰ বাহক আৰু যিসকলক উন্নয়নৰ লক্ষ্য হিচাপে লোৱা হয় সেইসকলৰ মাজৰ যোগাযোগ ব্যৱস্থা। সফলতাৰে সামাজিক পৰিৱৰ্তন আনিবলৈ হ'লে সন্নিবিষ্ট বিভিন্ন উপভোক্তাৰ মাজত আলোচনাৰ প্ৰয়োজন। যদি উন্নয়নৰ বাহকসকলে উন্নয়ন সম্পৰ্কে বাৰ্তা প্ৰচাৰ কৰে, নতুবা যদিহে জনগণে তেওঁলোকৰ প্ৰয়োজন সম্পৰ্কে আঁচনি তৈয়াৰ কৰোতাসকলক জ্ঞাত কৰে, তেতিয়া উন্নয়ন আৰু সবলীকৰণৰ বাবে যোগাযোগে মুখ্য ভূমিকা গ্ৰহণ কৰে।

যি দিশৰ অধ্যয়নে উন্নয়নৰ বিভিন্ন আঁচনি সম্পৰ্কে অধ্যয়ন কৰে, তাকে উন্নয়ন যোগাযোগ বুলি জনা যায়। Thomas Mcphail-এ যোগাযোগ উন্নয়ন মানে সমাজ সংস্কাৰৰ বাবে পদ্ধতিগতভাৱে মাজত সোমাই পৰা গণ মাধ্যম (ছপা, ৰেডিঅ', টেলিফোন, ভিডিঅ', ইণ্টাৰনেট) বা শিক্ষা (প্ৰশিক্ষণ, স্বাক্ষৰতা, স্কুলীয়া আনুষ্ঠানিক শিক্ষা) বুলি কৈছে। পৰিৱৰ্তন অৰ্থনৈতিক, ব্যক্তিগত, আধ্যাত্মিক, সামাজিক, সাংস্কৃতিক, বা ৰাজনৈতিক হ'ব পাৰে। ১৯৮৪ চনত ৰাষ্ট্ৰসংঘৰ FAO-ৰে ঘোষণা কৰিছিল যে 'উন্নয়নৰ বাবে যোগাযোগ ব্যৱস্থা, সকলো উন্নয়নকাৰীৰ মাজত উন্নয়নৰ সুবিধাৰ্থে যৌথ কাৰ্যৰ ভেটি তৈয়াৰ কৰা এটা সামাজিক পদ্ধতি।

বৰ্তমান উন্নয়ন আৰু যোগাযোগৰ মাজৰ সম্পৰ্ক ভালদৰে জ্ঞাত হৈছে আৰু উন্নয়নৰ বিভিন্ন কাৰকে উন্নয়নকাৰী আৰু জনতাৰ মাজত, যাৰ উন্নয়ন বিচৰা হয়, যোগাযোগ ৰক্ষাৰ বাবে সক্ৰিয়ভাৱে কৌশল ৰচনাত লিপ্ত হৈ আছে।

১০.৪.১ উন্নয়ন যোগাযোগৰ বাবে মাধ্যম

গণমাধ্যমৰ প্ৰযুক্তি যেনে বাতৰি কাকত, দূৰদৰ্শন, ৰেডিঅ' আদিসমূহ উন্নয়নৰ বাহকসমূহে বিভিন্ন ধৰণে ব্যৱহাৰ কৰি আহিছে। চৰকাৰৰ বিশেষ আঁচনি আৰু কাৰ্যক্ৰম সম্প্ৰচাৰ কৰিবলৈ চৰকাৰী বিভাগ আৰু অংগসমূহৰ দ্বাৰা প্ৰচাৰ কৰা বিজ্ঞাপনৰ কথা আমি জানো। তাৰোপৰি দূৰদৰ্শন, ৰেডিঅ', আনকি জনসংযোগৰ বাবে উৎসৰ্গিত সকলো মাধ্যমত নিৰ্দিষ্ট উন্নয়নৰ লক্ষ্য লৈ বিশেষ অনুষ্ঠান পৰিৱেশন কৰে। দূৰদৰ্শনত প্ৰচাৰিত কৃষিদৰ্শন এনে এক অনুষ্ঠান। তাৰ উপৰিও কাল্পনিক কাহিনীৰ মাধ্যমেৰে সবলীকৰণ আৰু উন্নয়নৰ বাৰ্তা সন্নিবিষ্ট আন এক অধিক ফলপ্ৰসু আঁচনি প্ৰয়োগ কৰা হয়। এই সমূহে সাধাৰণ নিৰস কথা বা নিৰস উদাহৰণেৰে বিৰক্ত নকৰি

কাহিনীৰ মাজেৰে মনোযোগ আকর্ষণ কৰি জনসাধাৰণৰ মাজত প্ৰয়োজনীয় বার্তা প্ৰেৰণ কৰে।

তদুপৰি পৰম্পৰাগত গণমাধ্যমৰ কৌশলসমূহ বিশেষতঃ ভাৰতবর্ষৰ গ্ৰাম্য অঞ্চলত অধিক ফলপ্ৰসু বুলি প্ৰমাণিত হৈছে। দুর্ভাগ্যবশতঃ আজিও দেশৰ বহু ঠাইত দূৰদর্শনত, ৰেডিঅ' বা অন্য ধৰণৰ বৈদ্যুতিক মাধ্যমৰ সুযোগ প্ৰাপ্ত হোৱা নাই। তাৰোপৰি দেশৰ বহু ঠাইত নিৰক্ষৰতাৰ হাৰ অধিক হোৱা বাবে বা আগ্ৰহৰ অভাৱত বাতৰি কাকত অধ্যয়ন কৰা লোকৰ সংখ্যাও বৰ কম। তেনে ক্ষেত্ৰত পৰম্পৰাগত গণমাধ্যম, যেনে- বাটৰ নাট, প্ৰাচীৰ লেখন, লোক নাট্য আদি বঞ্চিত আৰু অৱহেলিত লোকসকলৰ যোগাযোগ আৰু সবলীকৰণৰ বাবে ফলদায়ক উপায় হ'ব পাৰে।



জানি থোৱা ভাল

১৯৫৭ চনৰ ২৬ জানুৱাৰীৰ পৰা দূৰদর্শন যোগে কৃষিদর্শনৰ সম্প্ৰচাৰ আৰম্ভ হৈছিল। অনুষ্ঠানটোৰ জৰিয়তে গাঁও অঞ্চলৰ কৃষিজীৱি দর্শকক কৃষি বিষয়ক তথ্যৰ যোগান ধৰা হৈছিল। ২০১৮ চনৰ এপ্ৰিল মাহত সম্প্ৰচাৰ বন্ধ হোৱা এই অনুষ্ঠানটো হ'ল ভাৰতীয় টেলিভিছনৰ দ্বাৰা সর্বাধিক দিন ধৰি সম্প্ৰচাৰিত অনুষ্ঠান। এই অনুষ্ঠানটো কৃষকসকলৰ বাবে থকা বিশেষ চেনেল 'ডি. ডি. কিষান'ৰ যোগেদি পুনৰ সম্প্ৰচাৰ কৰা হ'ব।



অনুশীলন-৩

উন্নয়নৰ বিষয় লৈ কৰা বাটৰ নাট বা থিয়েটাৰ দেখিছানে? যদি দেখিছা, তাত কোনবোৰ বিষয় উপস্থাপন কৰা হৈছিল?

অনুশীলন-৪

উন্নয়নৰ বাবে আন কি কি আহিলা ব্যৱহাৰ কৰিব পাৰি বুলি ভাবে? কেনেকৈ পাৰি বুলি ভাবে?



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উন্নয়ন কার্যসূচীত গণমাধ্যমৰ মধ্যস্থতা সম্পর্কে অধ্যয়ন কৰা বিভাগক বুজা যায়.....।

.....

প্ৰশ্ন নং ২ ঃ গ্ৰাম্য ভাৰতত য'ত সৰহ সংখ্যক মানুহ অশিক্ষিত, তাত উন্নয়ন যোগাযোগৰ বাবে কোনটো অধিক ফলপ্ৰসূ?

(ক) বাতৰি কাকতৰ বিজ্ঞাপন
(খ) পুস্তিকা
(গ) বাটৰ নাট

.....

১০.৫ উন্নয়ন যোগাযোগৰ দৃষ্টিভংগী ঃ ব্যাপক আৰু অংশীদাৰীত্বমূলক আৰ্হি

সবলীকৰণৰ বাবে যোগাযোগ দুই ধৰণে ঘটিব পাৰে। প্ৰথমে, মানুহৰ মাজলৈ, যাক লক্ষ্য কৰি আঁচনিসমূহ লোৱা হয়, তালৈ কেন্দ্ৰীয় সংস্থাৰ দ্বাৰা উন্নয়ন আঁচনি সম্পৰ্কে বাৰ্তা সহজে প্ৰেৰণ কৰা হয়।

এই ধৰণৰ যোগাযোগৰ আঁচনিত মূলতঃ এজন উন্নয়নৰ প্ৰতিনিধি থাকে আন দিশত জনসাধাৰণ মাত্ৰ প্ৰচাৰিত বাৰ্তা গ্ৰহণকাৰী ৰূপে থাকে। ইয়াকে ব্যাপক আৰ্হি বুলি কোৱা হয়।

উন্নয়নৰ ব্যাপক আঁচনি এইটো বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰে যে বাতৰি প্ৰচাৰ কৰা এটাই মাত্ৰ উৎস আছে যাৰ পৰা সজাগতাহীন জনতালৈ বাৰ্তা প্ৰেৰণ কৰিব লাগে। ইটো সত্য যে ই প্ৰধানতঃ বাৰ্তা বিস্তাৰ আৰু সজাগতা সৃষ্টি কেন্দ্ৰসমূহৰ দ্বাৰা গণমাধ্যম, যেনে- দূৰদৰ্শন, ৰেডিঅ' আৰু বাতৰিকাকত আদি সমূহৰ যোগেদি যোগাযোগৰ বাবে বাৰ্তা প্ৰেৰণৰ একক নিৰ্দেশিত উপায়। এই পদ্ধতিত এটা ডাঙৰ সমস্যা হ'ল যে ই উন্নয়নৰ আঁচনি সম্পৰ্কে জনগণৰ ক্ষেত্ৰত উন্নয়নহীনতাৰ দায়িত্বৰ কথা প্ৰকাশ কৰে।

সবলীকৰণৰ বাবে যোগাযোগৰ দ্বিতীয় আৰ্হি হ'ল অংশীদাৰীত্বমূলক আৰ্হি। পূৰ্বতে আলোচনা কৰা মতে, অংশীদাৰীত্বমূলক ধাৰাত জনগণক নিষ্ক্ৰিয়া গ্ৰহিতা হৈ থকা দেখা নাযায়, বৰং তেওঁলোক এই কাৰ্যৰ সক্ৰিয় সহযোগী হৈ পৰে। গতিকে উন্নয়ন সম্পৰ্কে অংশীদাৰীত্বমূলক ধাৰাত যোগাযোগ আঁচনিৰ বাৰ্তা প্ৰেৰণৰ বাবে কোনো নিৰ্দিষ্ট কেন্দ্ৰ নাথাকে। বৰং ই এক বিভিন্ন পথেৰে অহা যোগাযোগ পদ্ধতি, য'ত স্থানীয় লোকসকল সংস্থাসমূহক তেওঁলোকৰ স্থানীয় অভাৱ আৰু অভিজ্ঞতা সম্পৰ্কে অৱগত কৰিবলৈ সমানেই যোগাযোগৰ উপায়সমূহৰ অংশ হিচাপে থাকে। এনেকুৱা পদ্ধতিয়ে জনগণক উন্নয়নৰ মূল শক্তি ৰূপে গণ্য কৰে।

১০.৫.১ সমূহীয়া ৰেডিঅ'

স্থানীয়ভাৱে অংশীদাৰীত্বমূলক মাধ্যমৰ এটা সুন্দৰ উদাহৰণ হ'ল সমূহীয়া ৰেডিঅ'। এইটো এটা অনাতাঁৰ সেৱা যিয়ে এটা নিৰ্দিষ্ট স্থানীয় সম্প্ৰদায় বা অঞ্চলৰ সেৱা প্ৰদান কৰে আৰু ইয়াৰ মালিকানা, পৰিচালনা আৰু প্ৰভাৱ বিস্তাৰ স্থানীয় লোকৰ হাতত থাকে। ই সেই নিৰ্দিষ্ট অঞ্চলৰ মানুহৰ বিশেষ আৰু অতি ঘনিষ্ঠ সম্পৰ্ক থকা কথাবোৰ প্ৰচাৰ কৰে, কিন্তু প্ৰায়েই জনগণে বা প্ৰচাৰ কৰোতাই সেইবোৰ আওকাণ কৰে। বহুতো আঁচনি ৰূপায়ণৰ ফলে দেখুৱাই যে সমূহীয়া ৰেডিঅ' উন্নয়ন যোগাযোগৰ ক্ষেত্ৰত এটা অতি প্ৰভাৱশালী পদ্ধতি। ই খৰচৰ দিশেৰে, বহুলাংশে সুলভ আৰু ট্ৰেন্সমিটাৰ আৰু ৰেডিঅ' ইউনিট স্থাপনতো কম খৰচযুক্ত। ১৯৯০ দশকৰ শেষাংশৰ পৰা যুক্তৰাষ্ট্ৰই সমূহীয়া মাধ্যম কেন্দ্ৰ স্থাপন কৰি আহিছে আৰু বিভিন্ন সম্প্ৰদায়ৰ মাজত সমূহীয়া ৰেডিঅ' আৰু বাৰ্তাকেন্দ্ৰসমূহক একত্ৰিত কৰাৰ লক্ষ্যৰে

কাম কৰি আছে। ভাৰতবৰ্ষত আজিও সমূহীয়া ৰেডিঅ'ৰ সুফল অনুধাৱন কৰিব পৰা নাই। আমাৰ দেশত দুশতকৈও কম সমূহীয়া ৰেডিঅ'ই কাম কৰি আছে। কিন্তু যি কেইটাই কাম কৰি আছে, সেইবোৰ সুফলদায়ক বুলি প্ৰমাণিত হৈছে আৰু চৰকাৰে অধিক কেন্দ্ৰ স্থাপন কৰিবলৈ চিন্তা কৰিছে।

১০.৬ ডিজিটেল বিপ্লৱ আৰু উন্নয়নৰ বাবে যোগাযোগ ব্যৱস্থা

উন্নয়নৰ বাবে যোগাযোগৰ ক্ষেত্ৰত ইণ্টাৰনেটৰ আৱিষ্কাৰ এক বিৰাট সহায়ক হিচাপে প্ৰমাণিত হৈছে। ইণ্টাৰনেটে কেবল একে সময়তে বিভিন্ন মানুহক সংযোগ কৰাই নহয়, ই বিশ্বৰ জ্ঞানৰ ভঁৰালৰ পথো নিৰ্দেশ কৰে। অতি গুৰুত্বপূণভাৱে, ইণ্টাৰনেট হ'ল বিভিন্ন পথেৰে তৰা যোগাযোগৰ জাল, যিয়ে বিভিন্ন উন্নয়ন সংস্থাৰ লগত ক্ষিপ্ৰতাৰে সংযোগ স্থাপন কৰে, যিটো আন বহু যোগাযোগৰ প্ৰযুক্তিৰ ক্ষেত্ৰত পোৱা নাযায়। জনসংযোগৰ মাধ্যম আৰু Micro blogging website সমূহে উন্নয়নৰ লক্ষ্যৰে অংশগ্ৰহণকাৰীসকলৰ মাজত পোনপটীয়া আৰু সুলভ সম্বন্ধ গঢ়ি তোলা কাৰ্য সহজ কৰি দিছে।

আজিকালি প্ৰায়বোৰ সংগঠনে ব্যৱসায়ী আৰু গ্ৰাহকৰ মাজত সম্বন্ধ স্থাপন কৰিবলৈ Social Media Siteত web site, blog, advertisement আদি ব্যৱহাৰ কৰে। Internet-এ উন্নয়নকাৰী সংস্থাসমূহৰ বাবে জনগণক ঢুকি পোৱা আৰু সঁহাৰি লাভ কৰা আৰু স্থানীয় লোকক উন্নয়নকাৰীসকলৰ লগত সংযোগ কৰি দিয়াটো সহজ কৰি তুলিছে। তাৰোপৰি ই একে অৱস্থাৰ মানুহক সংগঠিত কৰি তেওঁলোকৰ অধিকাৰ দাবী কৰাত সহায় কৰে।

যি কি নহওঁক, যদিও সবলীকৰণৰ বাবে যোগাযোগ এক সুফলদায়ক আহিলা, দুৰ্ভাগ্যজনকভাৱে ই বহুতৰ বাবে আজিও ঢুকি পোৱাৰ বাহিৰত আছে। দাৰিদ্ৰ্য, সংযোগৰ অভাৱ আৰু মৌলিক আন্তঃগাঁথনিৰ অভাৱ, তথা Digital জ্ঞানৰ অভাৱৰ বাবে আজিও ভাৰতবৰ্ষৰ বহু ঠাইত ইণ্টাৰনেট এক কম ব্যৱহৃত মাধ্যমৰ আহিলা হৈ আছে। যি সকলে ইণ্টাৰনেটৰ ব্যৱহাৰ কৰিছে আৰু তাৰ সুফল ভোগ কৰিছে আৰু যিসকলে কৰিবলৈ সক্ষম হোৱা নাই, তেওঁলোকৰ মাজত এটা ডাঙৰ ব্যৱধান সৃষ্টি হৈছে। এইটোকে Digital Devide বুলি জনা যায়। এই সমস্যাটো আঁতৰ কৰিবলৈ ভাৰত চৰকাৰে বিভিন্নৰ মাধ্যমেৰে যত্ন কৰি আছে। যদিও টেলিকম নেটৱৰ্কৰ দ্ৰুত বৃদ্ধি আৰু সুলভ দৰত প্ৰাপ্ত স্মাৰ্ট ফোনে এই ব্যৱধান কিছু পৰিমাণে আঁতৰ কৰিছে, তথাপি ই এতিয়াও গুৰুত্বপূৰ্ণ বিষয় হৈয়েই আছে। গতিকে অন্যান্য মাধ্যমৰ ব্যৱহাৰ।



অনুশীলন-৫

আপোনাৰ বিশ্ববিদ্যালয়ত বা আপোনাৰ ওচৰে-পাজৰে সমূহীয়া ৰেডিঅ' আছে নেকি? তোমাৰ ওচৰত থকা সমূহীয়া ৰেডিঅ' সম্পৰ্কে জানি লওক।

অনুশীলন-৬

Digital Divide সমূহ সংযোগ কৰিবলৈ চৰকাৰৰ বিভিন্ন কার্যসূচী সমূহ কি কি? সেই সমূহ কিমান সুফলদায়ক বুলি ভাবে?



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উন্নয়ন যোগাযোগৰ উপায় দুটা কি কি? কোনটো বেছি ফলদায়ক?

.....

প্রশ্ন নং ২ ঃ সমূহীয়া ৰেডিঅ' কি?

.....

প্রশ্ন নং ৩ ঃ ইণ্টাৰনেটৰ আবির্ভাৱৰ পিচত, অন্যান্য পৰম্পৰাগত মাধ্যমৰ দ্বাৰা কৰা যোগাযোগ ব্যৱস্থাৰ প্রাসংগিকতা নাই। সত্য নে অসত্য।

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণতে উন্নয়নে এখন সমাজৰ বা শ্রেণী মানুহৰ অর্থনৈতিক আৰু সামাজিক অৱস্থাৰ উন্নতি বুজায়।
- উন্নয়নৰ প্রাথমিক ধাৰণা পশ্চিম-উত্তৰ গোলার্দ্ধৰ ৰাষ্ট্রসমূহৰ দৃষ্টিকোণৰ পৰা উদ্ভুত হৈছে। এই দেশসমূহ উন্নত আৰু (পূর্ব্ব-দক্ষিণ) দক্ষিণ-পূব গোলার্দ্ধৰ ৰাষ্ট্রসমূহ অনুন্নত দেখা গৈছে।
- লাহে লাহে উন্নয়নৰ দিশত নিজস্ব ধাৰণা প্রকাশ কৰা অন্য চিন্তাৰ সুঁতি পোহৰলৈ আহিল। সেইসমূহৰ ভিতৰত লেখত ল'বলগীয়া আছিল। নির্ভৰশীল চিন্তাৰ দল, যি লেটিন আমেৰিকাত ভুমুকি মাৰিছিল।
- সাধাৰণতে সবলীকৰণ বুলিলে তুমি যি কৰিব বিচৰা তাৰ বাবে স্বাধীনতা আৰু শক্তি আহৰণ, বা তোমাৰ নিজৰ ওপৰত নিয়ন্ত্রণ বুজায়।
- অংশীদাৰীত্বভুক্ত উন্নয়ন ঃ নীতি আৰু কার্যসূচী তৈয়াৰ, ৰূপায়ণ আৰু মূল্যায়নত স্থানীয় লোকৰ অংশগ্রহণ কৰাটো বুজায়।
- অধ্যয়নৰ যিটো শাখাও উন্নয়নৰ বিভিন্ন যোগাযোগ কৌশলৰ বিষয়ে অধ্যয়ন কৰে, তাক উন্নয়ন যোগাযোগ বোলে।
- উন্নয়নৰ ব্যাপক আদি এইটো বিশ্বাসৰ ওপৰত নির্ভৰ কৰে যে বাতৰি প্রচাৰ কৰা এটাই

মাত্ৰ উৎস আছে যাৰ পৰা সজাগতাহীন জনতালৈ বাৰ্তা প্ৰেৰণ কৰিব লাগে।

- অংশীদাৰীত্বমূলক দৃষ্টিভংগীত জনগণক নিষ্ক্ৰিয়া গ্ৰহিকা হৈ থকা দেখা নাযায়, বৰং তেওঁলোক এই স্বাৰ্থৰ সক্ৰিয় সহযোগী হৈ পৰে।



১০.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Mcphail. T.L. (2009) Development communication Reframing the role of Media. UK : Wiley Blackwell.
2. Sarvaes, J. Jacobson, T. & White, S. A. (EDS) (2006) Participatory communication for Social change. Thousand Oaks : Sage.



১০.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন পণ্ডিতে উন্নয়নক বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে। কিন্তু, সাধাৰণতে, উন্নয়নে এখন সমাজ বা সমাজৰ একোটা গোটৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ অগ্ৰগতি সূচায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ সত্য

৩নং প্ৰশ্নৰ উত্তৰ ঃ লেটিন আমেৰিকা

৪নং প্ৰশ্নৰ উত্তৰ ঃ অংশীদাৰীত্বমূলক উন্নয়ন এটা উন্নয়নৰ ধাৰা য'ত স্থানীয় লোকসকল উন্নয়ন আঁচনি আৰু কাৰ্যসূচীৰ গঠন, সম্পাদন আৰু মূল্যায়নৰ লগত জড়িত থাকে।

খ) ১. উন্নয়ন যোগাযোগ

২. গ. বাটৰ নাট

গ) ১. ব্যাপক ধাৰা আৰু অংশীদাৰীত্বমূলক ধাৰা। অংশীদাৰীত্বমূলক ধাৰা অধিক ফলপ্ৰসু।

২. সমূহীয়া ৰেডিঅ' এবিধ ৰেডিঅ' সেৱা যিটো নিৰ্দিষ্ট বিষয়ৰ প্ৰয়োজন পূৰণৰ বাবে এটা অঞ্চলৰ ৰাইজৰ দ্বাৰা লব্ধ, চালিত আৰু প্ৰভাৱিত।

৩. অসত্য



১০.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ উন্নয়নৰ বিভিন্ন দৃষ্টিভংগীসমূহ লিখক।

প্ৰশ্ন ২ ঃ সমাজৰ দুৰ্বল শ্ৰেণীৰ সবলীকৰণত যোগাযোগৰ গুৰুত্ব ব্যাখ্যা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ উন্নয়ন যোগাযোগৰ কেইটামান পদ্ধতি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অংশীদাৰীত্বমূলক উন্নয়ন যোগাযোগ সম্পৰ্কে উদাহৰণ দি আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ আধুনিক উন্নয়ন যোগাযোগৰ ক্ষেত্ৰত ইণ্টাৰনেটৰ গুৰুত্ব আলোচনা কৰক।

*** ***** ***